অসম

জামুগুৰিহাটৰ তৌভঙাৰ নবিল বহিমৰা ঘাটত ছট পূজা উদযাপন

জামুগুৰিহাটৰ তৌভঙাৰ নবিল বহিমৰা ঘাটত আদর্শ নৱযুৱক ছট পূজা উদযাপন সমিতিৰ উদ্যোগত দুদিনীয়াকৈ ৪৪সংখ্যক ছট পূজা উৎসৱ উদযাপন কৰা হৈছে।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



জামুগুৰিহাট, ১৫ নৱেম্বৰ: ৰাজ্যৰ বিভিন্ন প্রান্তৰ সমান্তৰালকৈ জামুগুৰিহাটতো ছট পূজা উৎসৱ উদযাপন কৰা হৈছে।

জামুগুৰিহাটৰ তৌভঙাৰ নবিল বহিমৰা ঘাটত আদর্শ নৱযুৱক ছট পূজা উদযাপন সমিতিৰ উদ্যোগত ১৫ আৰু ১৬ নৱেম্বৰত দুদিনীয়াকৈ ৪৪সংখ্যক ছট পূজা উৎসৱ উদযাপন কৰা হৈছে।

পূজা উৎসৱত অঞ্চলটোৰ কেইবাশতাধিক বিহাৰী সম্প্রদায়ৰ ধর্মপ্রাণ লোক আৰু মহিলাই অংশগ্রহণ কৰিছে।

উদযাপন সমিতিয়ে জনোৱা মতে, ছট পূজা সূর্য দেৱতা আৰু উষা তথা ছটী মা বা ষষ্ঠী দেৱীৰ প্রতি উৎসর্গিত এক প্রাচীন হিন্দু লোকউৎসৱ আৰু বৈদিক পৰম্পৰা। অসমৰ লগতে দেশৰ বিভিন্ন ঠাইত বিশেষকৈ বিহাৰী সম্প্রদায়ৰ লোকসকলে এই উৎসৱ পালন কৰে।

প্রতি বছৰে কাতি মাহৰ শুক্ল পক্ষৰ ষষ্ঠী তিথিত পালন কৰা কার্তিক ছট চাৰিদিনীয়া উৎসৱ। এই পূজাত ঠেকুৱা পিঠা, ফলমূল আৰু কেঁচা বাঁহৰ দালি বিশেষভাৱে ব্যৱহাৰ কৰা হয়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3434/jamugurihat-chhath-puja-celebration

© 2026 NewzNow